**নং ঃ ৭৬৫/২০২০**

**বৰপেটা জিলাৰ হাউলীত পৰ্যটন উন্নয়ন নিগমৰ দ্বাৰা ৪০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া আদৰণী তোৰণৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# হাউলীত নৱনিৰ্মিত শ্বহীদ বেদী উন্মোচন কৰি অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দ্বাৰা নৱনিৰ্মিত ঐতিহ্যমণ্ডিত চণ্ডী বৰুৱা ভৱন মুখ্যমন্ত্ৰীৰ দ্বাৰা উন্মোচন**

**শ্ৰীশ্ৰী পুৰুষোত্তম ঠাকুৰদেৱ তথা শ্ৰীশ্ৰী নায়াৰণ দাস ঠাকুৰ আতাৰ জনীয়া সত্ৰৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে**

## কংগ্ৰেছ আৰু বাওঁপন্থী দলসমূহে পূৰ্বতে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সংঘাত সৃষ্টিৰ প্ৰয়াস চলাইছিল যদিও বৰ্তমানৰ ৰাজ্য চৰকাৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় সাধনৰ জৰিয়তে ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বৰপেটা জিলাৰ হাউলী নগৰত নৱনিৰ্মিত চণ্ডী বৰুৱা ভৱনৰ শুভ উদ্বোধন কৰাৰ উপৰি হাউলীত সংৱৰ্দ্ধিত ৰূপত অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতি চিৰযুগমীয়া কৰাৰ উদ্দেশ্যৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা শ্বহীদ বেদীৰো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে হাউলীত অসম পৰ্যটন উন্নয়ন নিগমৰ দ্বাৰা ৪০ লাখ টকা ব্যয় সাপেক্ষ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত ৰূপায়ণ কৰিবলগীয়া আদৰণী তোৰণ এখনৰো আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ প্ৰায় ২ কোটি টকা পুঁজি ব্যয়ৰে হাউলীৰ ঐতিহ্যমণ্ডিত চণ্ডী বৰুৱা ভৱনটো পুনৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। তদুপৰি, মুখ্যমন্ত্ৰীৰ আছুতীয়া পুঁজিৰ অৰ্থ সাহায্যৰে অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ স্মৃতি যাউতিযুগীয়া কৰাৰ বাবে হাউলীৰ শ্বহীদ বেদী পুনৰ নিৰ্মাণ কৰি উলিওৱা হৈছে।

এই উপলক্ষে হাউলী নগৰৰ মাজমজিয়াত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত তথা বৰপেটা জিলা প্ৰশাসনৰ সহযোগত আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে হাউলী নগৰক পৰিস্কাৰ-পৰিচ্ছন্ন তথা সৰ্বাংগসুন্দৰ নগৰ হিচাপে পৰিগণিত কৰাৰ দিশত সংকল্পবদ্ধ হ'বলৈ হাউলীবাসী জনসাধাৰণক আহ্বান জনায়। ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে অসম আন্দোলনৰ হাউলী অঞ্চলৰ বীৰ শ্বহীদ মধু বৈশ্যৰ লগতে অন্যান্য শ্বহীদসকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰে। ভাষণ

প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নৱপ্ৰজন্মক চণ্ডী বৰুৱাৰ বিষয়ে অৱগত কৰি সাংস্কৃতিকভাৱে আগুৱাই নিয়াৰ দিশত পদক্ষেপ ল'বলৈ পিতৃ-মাতৃসকলক আহ্বান জনায়। কংগ্ৰেছ আৰু বাওঁপন্থী দলসমূহে পূৰ্বতে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সংঘাত সৃষ্টিৰ প্ৰয়াস চলাইছিল বুলি উল্লেখ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰৰ দিনত বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰে অসমে প্ৰগতিৰ পথত দৃঢ়তাৰে খোজ দিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বৰ্তমানৰ চৰকাৰখনৰ প্ৰতি কিছু সংখ্যকে বিভ্ৰান্তিমূলক কূট-কৌশল ৰচনা কৰিছে যদিও চৰকাৰখনে সাৰ্বজনীন নীতিৰে জনসাধাৰণক আস্থাতলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ ফলশ্ৰুতিত জনসাধাৰণৰ চৰকাৰখনৰ প্ৰতি আস্থা আৰু বিশ্বাস দিনক দিনে বৃদ্ধি পাইছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বিগত চাৰে চাৰি বছৰীয়া শাসনকালত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে প্ৰতিটো জাতি-জনগোষ্ঠীক সমভাৱে আগুৱাই নিয়া তথা প্ৰতিখন জিলাৰে সম উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি আন্তঃগাঁথনিমূলক উন্নয়নৰ বাবে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে বুলিও কয়। অসমৰ অস্তিত্বৰ সংকট বৰ্তমানে কোনে সৃষ্টি কৰিছে সেই কথা জনসাধাৰণৰ ভালদৰে অৱগত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কৃষ্টি-সংস্কৃতিৰ সংৰক্ষণেৰে এই সংকট মষিমূৰ কৰিব লাগিব বুলিও কয়। অসমীয়া জাতিক সকলো দিশৰ পৰা শক্তিশালী ৰূপত জীয়াই ৰাখিব লাগিব বুলি উল্লেখ কৰি আমাৰ মহান ঐতিহ্য স্মৰণেৰে, কৃষ্টি-সংস্কৃতিৰ সংৰক্ষণেৰে আমি সাংস্কৃতিকভাৱে সকলো প্ৰত্যাহ্বানৰ যোগ্য প্ৰত্যুত্তৰ দিব লাগিব বুলিও তেওঁ কয়। সংঘাত নহয়, কেৱল সমন্বয়ৰ মাজেৰেহে এই প্ৰত্যাহ্বানসমূহৰ যোগ্য প্ৰত্যুত্তৰ দিব পৰা যাব বুলিও তেওঁ উল্লেখ কৰে। স্বাধীনতাৰ পিছৰে পৰা বহু কেইখন চৰকাৰ দিছপুৰত শাসনত অধিষ্ঠিত হৈছিল যদিও ৰাজ্যখনৰ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ উন্নয়নে বিশেষ গতি লাভ কৰা নাছিল বুলি তেওঁ উল্লেখ কৰে। কিন্তু বৰ্তমানৰ চৰকাৰখনে শাসনভাৰ লোৱাৰে পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতি সাৰোগত কৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত বিভিন্ন আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণ কৰি অঞ্চলটোৰ বিকাশৰ দিশত এক নতুন যাত্ৰাৰ সূচনা কৰিছে বুলিও তেওঁ কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বৃহত্তৰ হাউলী অঞ্চলত বিভিন্ন প্ৰকল্প ৰূপায়ণৰ বাবে ঐকান্তিক প্ৰচেষ্টা চলাই থকাৰ বাবে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে লোৱা ভূমিকাৰ শলাগ লৈ হাউলী নগৰক অসমৰ ৯৮ খন চহৰ-নগৰৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ নগৰ হিচাপে গঢ়ি তোলাৰ বাবে সংকল্পৱদ্ধ হ'বলৈ জনসাধাৰণক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে আজি উদ্বোধন কৰা অনুষ্ঠানসমূহক সঠিক পৰিচালনাৰে পৰিস্কাৰ-পৰিচ্ছন্নভাৱে ৰখাৰ বাবে জনসাধাৰণক আহ্বান জনায়। বৰপেটা জিলাৰ শক্তিক সকলোৰে শ্ৰদ্ধা কৰে বুলি উল্লেখ কৰি গুৰুদুজনাৰ কৃপা দৃষ্টি প্ৰাপ্ত বৰপেটা জিলাই ৰাজ্যখনক শক্তিশালী কৰাৰ পথ প্ৰদৰ্শনৰ দিশত অগ্ৰণী ভূমিকা ল'ব পাৰে বুলিও তেওঁ কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি সংৰক্ষণ কৰাৰ দিশত লোৱা বলিষ্ঠ ভূমিকাৰ অৱলোকনেৰে বক্তব্য আগবঢ়ায়। বৰ্তমানৰ ৰাজ্য চৰকাৰৰ দিনতে বিভিন্ন জাতি-জনগোষ্ঠীৰ উৎসৱ তথা মহান মনীষীসকলৰ স্মৃতি যুগমীয়া কৰাৰ বাবে লোৱা পদক্ষেপসমূহৰ বিষয়েও তেওঁ উল্লেখ কৰে। এই প্ৰসংগত মন্ত্ৰীগৰাকীয়ে জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনা থলী নিৰ্মাণ, শোণিতকোঁৱৰ গজেন

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

বৰুৱাৰ নামত বঁটা প্ৰদান, বীৰ ৰাঘৱ মৰাণৰ নামত বঁটা প্ৰদান, সতী ৰাধিকা বঁটা ইত্যাদিৰ বিষয়ে উল্লেখ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে হাউলী নগৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বৰ্তমানৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে লোৱা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰাৰ উপৰি এইখন চৰকাৰৰ বিৰুদ্ধে চলোৱা অপপ্ৰচাৰত গুৰুত্ব আৰোপ নকৰিবলৈ জনসাধাৰণক আহ্বান জনায়। খিলঞ্জীয়াৰ সুৰক্ষাৰ কাৰণে ভূমিপুত্ৰ সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে নিষ্ঠা সহকাৰে পদক্ষেপ লৈ আছে বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মিডিয়া উপদেষ্টা গৰাকীয়ে চণ্ডী বৰুৱা স্মৃতিভৱন, শ্বহীদ বেদী নিৰ্মাণ, হাউলী নগৰ আদৰণী তোৰণ নিৰ্মাণ ইত্যাদিৰ দিশত লোৱা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে আৰু অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱাৰো শলাগ লয়।

বৰপেটা জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ দাস, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক বিষ্ণুকমল বৰা, অসম পৰ্যটন উন্নয়নৰ নিগমৰ সঞ্চালক দেৱ কুমাৰ মিশ্ৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ উপাধ্যক্ষ নৱদ্বীপ কলিতাকে ধৰি বিভিন্ন নিগম-নিকায়ৰ অধ্যক্ষ-উপাধ্যক্ষৰ লগতে হাউলী শ্বহীদ বেদীৰ নিৰ্মাণকাৰ্যৰ লগত জড়িত বিশিষ্ট ভাস্কৰ্য শিল্পী বীৰেন সিংহ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ অনিৰ্দ্ধাৰিত পুঁজিৰ ৫০ লাখ টকা ব্যয়ৰে বৰপেটা জিলাৰ জনীয়াস্থিত শ্ৰীশ্ৰী পুৰুষোত্তম ঠাকুৰদেৱৰ তথা শ্ৰীশ্ৰী নাৰায়ণদাস ঠাকুৰ আতাৰ জনীয়া সত্ৰৰ নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। উক্ত অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে পুৰুষোত্তম ঠাকুৰদেৱৰ বিৰচিত আৰু 'অসমীয়া খবৰ' কাকতৰ কাৰ্যবাহী সম্পাদক বিশ্বজিৎ দাসৰ দ্বাৰা সম্পাদিত 'ন-ঘোষা' পুথিৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাজ্যখনৰ সত্ৰ, দেৱালয়, মঠ-মন্দিৰ তথা কৃৰ্তি চিহ্নসমূহ সংৰক্ষণ আৰু সংৱৰ্দ্ধনৰ দিশত লোৱা পদক্ষেপসমূহৰ বিষয়ে ব্যাখ্যা কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে সত্ৰসমূহলৈ এককালীন সাহায্য, ৮ হাজাৰ নামঘৰলৈ অনুদান আগবঢ়োৱাৰ পদক্ষেপ, ঐতিহ্যকেন্দ্ৰ সমূহৰ সংৰক্ষণ ইত্যাদিৰ দৰে লোৱা পদক্ষেপসমূহৰ বিষয়ে কয়। অসমীয়া জাতিৰ বৃহত্তৰ স্বাৰ্থত তথা অসমীয়া জাতিৰ অস্তিত্ব সুৰক্ষিত কৰিব লাগিলে জাতি-মাটি-ভেটি, কৃষ্টি-সংস্কৃতিৰ সংৰক্ষণৰ ওপৰত আমি সকলোৱে গুৰুত্ব আৰোপ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ৰাইজৰ সমূহীয়া প্ৰচেষ্টাত জনীয়া সত্ৰৰ গুণ-গৰিমা ভৱিষ্যতেও অক্ষুণ্ণ থাকিব বুলি আশা প্ৰকাশ কৰে।

'অসমীয়া খবৰ' কাকতৰ কাৰ্যবাহী সম্পাদক বিশ্বজিৎ দাসে আঁতধৰা উক্ত অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা, বৰপেটা জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ শৰ্মা, আৰক্ষী অধীক্ষক ৰবীন কুমাৰ সিং, অসম পৰ্যটন উন্নয়ন নিগমৰ উপাধ্যক্ষ নৱদ্বীপ কলিতা, বিশিষ্ট সমাজকৰ্মী শংকৰ দাস প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি আৰু ভকতবৃন্দ উপস্থিত থাকে।

**বঃভাঃ**

**১৭/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in